# খোতবা জুমা

**আঁ-হজৰত (ছাঃ)ৰ মহান মৰ্যাদাপ্ৰাপ্ত বদৰী চাহাবা হজৰত জুবেৰ (ৰাঃ)ৰ গুণাৱলী আৰু ঈমান উদ্দীপক ঘটনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ৪ চেপ্তেম্বৰ ২০২০ চনত মছজিদ মুবাৰক ,ইছলামাবাদ (ব্ৰিটেইন)ত প্ৰদান কৰা খোতবা জুমাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাশাহুদ তাউয আৰু চুৰা ফাতিহা পাঠৰ পিছত হজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, আল্লাহ তা’লা কোৰাণ মজিদত কৈছে,

اَلَّذِيْنَ اسْتَجَابُوْا لِلّٰهِ وَالرَّسُوْلِ مِنْۢ بَعْدِ مَآ اَصَابَهُمُ الْقَرْحُ ۛؕ لِلَّذِيْنَ اَحْسَنُوْا مِنْهُمْ وَاتَّقَوْا اَجْرٌ عَظِيْمٌ (آل عمران:173)

যিসকলে নিজে দাৰুণ কষ্ট ভোগ কৰাৰ পিছতো আল্লাহ আৰু ৰছুলৰ বাধ্য হৈছিল তেওঁলোকৰ ভিতৰৰ যিসকলে সৎকাৰ্য কৰিছিল আৰু পাপৰ পৰা আঁতৰত থাকিছিল তেওঁলোকৰ নিমিত্তে মহৎ প্ৰতিদান নিৰ্ধাৰিত আছে।

হজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, হজৰত জুবেৰ (ৰাঃ)ৰ বৰ্ণনাৰ কিছু অংশ ৰৈ গৈছিল যি আজি মই বৰ্ণনা কৰিম। এই আয়াত সম্পৰ্কে যি মই পাঠ কৰিলোঁ হজৰত আইশা (ৰাঃ)য়ে হজৰত উৰুৱাক কয় যে, হে ভতিজা তোমাৰ পুৰ্ব পুৰুষসকল হজৰত জুবেৰ আৰু আবু বক্কৰ (ৰাঃ)এই আয়াতত উল্লেখিত চাহাবাসকলৰ মাজত অন্তৰ্ভুক্ত আছিল। যেতিয়া উহুদৰ যুদ্ধত আঁ-হজৰত (ছাঃ)ৰ ক্ষত হয় আৰু মুশৰিকসকল (আল্লাহৰ সৈতে যিসকলে অংশী পাতে) উভতি যায় তেতিয়া আঁ-হজতৰ (ছাঃ)ৰ এই ভয় হ’ল যে সিহঁতে কেতিয়াবা উভতি আহি যেন আক্ৰমণ নকৰে,এই কাৰণে তেখেত (ছাঃ)য়ে কলে, সিহঁতৰ বিৰুদ্ধে কোনে কোনে যাব,সেই সময়ত সিহঁতৰ মাজৰ পৰা ৭০ (সত্তৰ)জন চাহাবা প্ৰস্তুত হ’ল। হজৰত আবু বক্কৰ আৰু হজৰত জুবে (ৰাঃ)য়ো সেইসকলৰ মাজত অন্তৰ্ভুক্ত আছিল। আৰু এই দুয়োজনো ক্ষত অৱস্থাত আছিল। হজৰত আলী (ৰাঃ)য়ে বৰ্ণনা কৰে যে, মই নিজে ৰছুলে কৰীম (ছাঃ)ক এয়া কৈ থকা শ্ৰৱণ কৰিছোঁ যে, তালহা আৰু জুবেৰ বেহেস্তত মোৰ সৈতে থাকিব। হজৰত ছায়িদ বিন জাবিৰ বৰ্ণনা কৰিছে যে, হজৰত আবু বক্কৰ, হজৰত ওমৰ, হজৰত উছমান, হজৰত আলী,হজৰত তালহা,হজৰত জুবেৰ,হজৰত ছাআদ, হজৰত আব্দুৰ ৰহমান আৰু হজৰত ছায়িদ বিন জায়েদৰ স্থান এনেকুৱা আছিল যে, যুদ্ধৰ ময়দানত ৰছুলে কৰীম (ছাঃ)ৰ সন্মুখত থাকি যুদ্ধ কৰিছিল আৰু নামাজত তেখেত (ছাঃ)ৰ পিছত থিয় হৈছিল।

হজৰত ৰছুলে কৰীম (ছাঃ)যিসকল লিখকৰ দ্বাৰা কোৰাণ কৰিম লিখোৱাইছিল তাৰ মাজত হজৰত

জুবেৰ বিন আউৰাম (ৰাঃ)ৰ নামো আছিল। ৰছুলে কৰীম (ছাঃ)য়ে যেতিয়া মদিনাত ঘৰৰ বাবে সীমা নিৰ্ণয় কৰিলে তেতিয়া হজৰত জুবেৰৰ বাবে মাটিৰ বেছি ভাগ অংশ নিৰ্ণয় কৰিলে।

হজৰত জুবেৰ বৰ্ণনা কৰিছিল যে, এবাৰ তেওঁৰ আনছাৰী চাহাবা নবী কৰীম (ছাঃ)ৰ উপস্থিতিত পানীৰ নালত বিবাদ সৃষ্টি হয় যাৰ পৰা সেই দুয়োজনে নিজৰ পথাৰত পানী দিছিল। নবী কৰীম (ছাঃ)য়ে কথা সমাপ্ত কৰি কয়, জুবেৰ তুমি নিজৰ পথাৰত পানী দিয়াৰ পিছত ওচৰ-চুবুৰীয়াৰ বাবে পানী এৰি দিয়া। আনছাৰৰ এই কথা অপছন্দ লাগিল আৰু তেওঁ ক'ব ধৰিলে, হে ৰছুলুল্লাহ, এইজন আপোনাৰ পেহীৰ আত্মীয় এই কাৰণে আপুনি এই সিদ্ধান্ত লৈ আছে,তাৰ কথা শুনি ৰছুলে কৰীম (ছাঃ)ৰ চেহেৰাৰ ৰং পৰিৱৰ্তন হৈ গ'ল আৰু তেখেত (ছাঃ)য়ে হজৰত জুবেৰক কলে যে, এতিয়া তুমি নিজৰ পথাৰত পানী দিয়া আৰু যেতিয়ালৈকে পানী বান্ধনলৈ গৈ নাপায় তেতিয়ালৈকে পানী বন্ধ কৰি ৰখা,অৰ্থাৎ হজৰত জুবেৰক তেওঁৰ পূৰ্ণ অধিকাৰ প্ৰদান কৰিলে, অৰ্থাৎ ইয়াৰ পূৰ্বে আনছাৰৰ বাবে সুবিধা ৰাখিছিল। হজৰত জুবেৰ কয় যে, মই ভাৱো যে নিম্ন লিখিত আয়াত এই ঘটনা সম্বন্ধে অৱতীৰ্ণ হয়,

:فَلَا وَرَبِّكَ لَا يُؤْمِنُونَ حَتّٰى يُحَكِّمُوكَ فِيمَا شَجَرَ بَيْنَهُمْ ثُمَّ لَا يَجِدُوا فِيٓ أَنْفُسِهِمْ حَرَجًا مِّمَّا قَضَيْتَ وَيُسَلِّمُوا تَسْلِيمًا (النساء:66)

কিন্তু নহয়;তোমাৰ প্ৰভুৰ শপত, যেতিয়ালৈকে সিহঁতে নিজ বিবাদ বিসম্বাদসমূহ বিচাৰৰ নিমিত্তে তোমাৰ ওচৰলৈ নানে, পিছত তুমি যি মীমাংসা কৰা সেই সম্বন্ধে সিহঁতে নিজ অন্তৰসমূহত কোনো সংশয় বোধ নকৰে,আৰু (যেতিয়ালৈকে) সিহঁতে সম্পূৰ্ণৰূপে (তোমাৰ) বাধ্য নহয়, তেতিয়ালৈকে সিহঁত প্ৰকৃতপক্ষে বিশ্বাসী নহয়।

হজৰত জুবেৰৰ পৰা বৰ্ণিত যে, যেতিয়া এই আয়াত অৱতীৰ্ণ হয় ثُمَّ إِنَّكُمْ يَوْمَ الْقِيٰمَةِ عِنْدَ رَبِّكُمْ تَخْتَصِمُونَ অৰ্থাৎ নিশ্চয় তুমি কিয়ামতৰ দিন নিজৰ প্ৰভুৰ ওচৰত এজনে আনজনৰ সৈতে তৰ্ক-বিতৰ্ক কৰিবা। তেতিয়া সিহঁতে সুধিলে, হে ৰছুলুল্লাহ (ছাঃ)এয়া আমাৰ পাৰ্থিৱ বিবাদ হয়নে? নবী কৰীম (ছাঃ)য়ে কলে, হয়। আকৌ যেতিয়া এই আয়াত অৱতীৰ্ণ হয়, ثُمَّ لَتُسْـَٔلُنَّ يَوْمَئِذٍ عَنِ النَّعِيمِ (التكاثر:9) তেতিয়া সেইদিনাখন তোমালোকক হিচাপ দিবলৈ আহ্বান কৰা হ'ব, তোমালোকে সেই দান দিয়া অনুগ্ৰহ বিলাকৰ বিষয়ে। তেতিয়া হজৰত জুবেৰ (ৰাঃ)য়ে সুধিলে,হে ৰছুলুল্লাহ (ছাঃ) আমাৰ পৰা কোন অনুগ্ৰহৰ বিষয়ে সুধা হ'ব? আমাৰ ওচৰত মাথোঁ খেজুৰ আৰু পানী আছে। নবী কৰীম (ছাঃ)য়ে কলে,সাৱধান! এই নিয়ামত (অনুগ্ৰহ)ৰ যুগ অনতিপলমে আহিবলগীয়া আছে।

এজন বুজুৰ্গ হজৰত জুবেৰক কলে যে, মই আপোনাৰ শৰীৰত ক্ষতৰ এনেকুৱা চিহ্ন দেখিছোঁ যি আজিৰ পৰা ইয়াৰ পূৰ্বে কাৰোবাৰ শৰীৰত দেখা নাই। হজৰত জুবেৰ (ৰাঃ)য়ে উত্তৰত কয়, খোদাৰ শপত, এইসকলোবোৰ ক্ষত আল্লাহৰ পথত ৰছুলে কৰীম (ছাঃ)ৰ লগত থাকোঁতে যুদ্ধ কৰি থকা অৱস্থাত হৈছে।

হজৰত জুবেৰৰ এহেজাৰ কৃতদাস আছিল যিসকলে তেখেত (ৰাঃ) ক মাটিৰ পৰা সৃষ্টি হোৱা বস্তুৰ পৰা কিছু আদায় কৰিছিল। তেখেত (ৰাঃ)য়ে তাৰ পৰা একোৰেই ঘৰত অনা নাছিল গোটেইখিনি ছাদকা

কৰি দিছিল।। হজৰত ওমৰ (ৰাঃ)য়ে কৈছে যে, হজৰত জুবেৰ দ্বীনৰ ছতুন (স্তম্ভ)ৰ মাজত এক স্তম্ভ হয়। হজৰত আব্দুল্লাহ বিন জুবেৰৰ পৰা বৰ্ণিত যে, **জমলৰ যুদ্ধৰ** দিন মোক মাতি কলে যে, হে মোৰ ল'ৰা সম্পত্তি বিক্ৰি কৰি ঋণ আদায় কৰি দিয়া আৰু মই তৃতীয়াংশ অচীয়ত কৰো আৰু ঋণ আদায় হোৱাৰ পিছত যদি কিছু বাচি যায় তেতিয়া তাৰ পৰা তিনি ভাগৰ এভাগ তোমাৰ সন্তান-সন্ততিৰ বাবে। আকৌ হজৰত জুবেৰ (ৰাঃ)য়ে কয়,হে মোৰ সন্তান! যদি এই ঋণৰ পৰা তুমি কিছু আদায় কৰিবলৈ অক্ষম হোৱা তেতিয়া মোৰ মাউলাৰ পৰা সহায় ল'বা। আব্দুল্লাহ বিন জুবেৰ কয়,মই সুধিলো আপোনাৰ মাউলা কোন হয় ?তেতিয়া হজৰত জুবেৰ (ৰাঃ)য়ে কয়, আল্লাহ। তাৰ পিছত যেতিয়াই মই কোনো ঋণত আৱদ্ধ হৈছো তেতিয়া কৈছো, হে জুবেৰৰ মাউলা তাৰ ঋণ আদায় কৰি দিয়া আৰু তেওঁ আদায় কৰিছে,অৰ্থাৎ আল্লাহ তা'লা ঋণ আদায় কৰাৰ বস্তু সৃষ্টি কৰি দিয়ে।

হজৰত মুছলেহ মাওউদ (ৰাঃ)হজৰত আলী (ৰাঃ)ৰ খলিফা নিৰ্বাচনৰ অৱস্থা বৰ্ণনা কৰি কৈছে যে, যেতিয়া হজৰত উছমান (ৰাঃ)ৰ শ্বহীদৰ ঘটনা ঘটিল, আৰু হজৰত আলীক দীক্ষা গ্ৰহণ কৰাত বাধ্য কৰে তেতিয়া কেইবাবাৰ অস্বীকাৰ কৰাৰ পিছত তেখেতে এই দায়িত্বৰ বোজা লয় আৰু মানুহৰ পৰা দীক্ষা লোৱা আৰম্ভ কৰে। কিছুমান মহান চাহাবা সেই সময়ত মদিনাৰ বাহিৰত আছিল।হজৰত তালহা আৰু হজৰত জুবেৰ সম্পৰ্কে জানিব পৰা যায় যে, তেওঁলোকৰ ফালে হাকিম বিন জবলা আৰু মালিক বিন আশতৰে কিছুমান মানুহৰ সৈতে আহে আৰু তৰোৱাল সন্মুখত ৰাখি সিহঁতৰ সন্মুখত থিয় হয় আৰু কয় যে, হজৰত আলীৰ বয়াত কৰা নতুবা আমি এতিয়াই তোমালোকক মাৰি পেলাম। সিহঁতে এই চৰ্ত অনুযায়ী হজৰত আলী (ৰাঃ)ৰ বয়াত কৰে যে, হজৰত উছমানৰ হত্যাৰ প্ৰতিশোধ অনতিপলমে লোৱা হ'ব। কিন্তু পিছত যেতিয়া দেখিলে যে, হজৰত আলী (ৰাঃ)য়ে হত্যাকাৰীৰ প্ৰতিশোধ লোৱাত পলম কৰি আছে তেতিয়া সিহঁতে বয়াতৰ পৰা পৃথক হৈ যায়, আৰু মদিনাৰ পৰা মক্কালৈ গুচি যায়। আকৌ হত্যাকাৰী হজৰত উছমানৰ এক জামাত হজৰত আইশা (ৰাঃ)ৰ ওচৰত আহি তাইক এই কথাৰ ফালে জোৰ দিয়ে যে, হজৰত উছমান (ৰাঃ)ৰ হত্যাৰ প্ৰতিশোধ লোৱাৰ বাবে আমাক জিহাদৰ ঘোষণা কৰি দিয়ক। হজৰত তালহা আৰু হজৰত জুবেৰো সিহঁতৰ সৈতে মিলিত হৈ গ'ল যাৰ ফলত হজৰত আলী আৰু হজৰত আইশা,হজৰত তালহা আৰু হজৰত জুবেৰৰ মাজত যুদ্ধ হয় যাক **জমলৰ যুদ্ধ** বুলি কোৱা হয়। এই যুদ্ধৰ আৰম্ভণীতে হজৰত জুবেৰ হজৰত আলী (ৰাঃ)ৰ মুখৰ পৰা ৰছুলে কৰীম (ছাঃ)ৰ এটা ভৱিষ্যদ্বাণী শুনি পৃথক হৈ পৰিছিল। য'ত তেখেত (ছাঃ)য়ে হজৰত জুবেৰক কৈছিল যে তুমি আলীৰ সৈতে বিবাদ কৰিবা আৰু সেয়া তোমাৰ ফালৰ পৰাই হ'ব। হজৰত জুবেৰ শপত লয় যে, হজৰত আলীৰ সৈতে যুদ্ধ নকৰিম। আনফালে হজৰত তালহাও নিজৰ মৃত্যুৰ পূৰ্বে হজৰত আলী (ৰাঃ)ৰ বয়াত স্বীকাৰ কৰিছিল।

হজুৰ আনোৱাৰ (আইঃ)য়ে কয় যেতিয়া হজৰত জুবেৰ মদিনাৰ ফালে উভতি যোৱাৰ ইচ্ছা কৰি ওলালে তেতিয়া ওমেৰ বিন জাৰমুজ ঘোঁৰাৰ ওপৰত আৰোহণ কৰি তেওঁৰ পিছফালৰ পৰা আহে আৰু হজৰত জুবেৰক নেজা (বৰ্শা)ৰ দ্বাৰা আক্ৰমণ কৰে আৰু অলপ পৰিমাণ ক্ষত হয়। হজৰত জুবেৰেও তেওঁৰ ওপৰত আক্ৰমণ কৰে,যেতিয়া ইবনে জাৰমুজে দেখিলে যে, তেওঁ মৃত্যুৰ মুখত, তেতিয়া নিজৰ লগৰীয়াক মাত দিলে আৰু সিহঁতে একলগ হৈ আক্ৰমণ কৰিলে যে, হজৰত জুবেৰক শ্বহীদ কৰি পেলালে,হজৰত জুবেৰক শ্বহীদ কৰাৰ পিছত ইবনে জাৰমুজ হজৰত আলী (ৰাঃ)ৰ ওচৰলৈ হজৰত জুবেৰৰ মূৰ আৰু

তৰোৱাল লৈ আহে। ইবনে জাৰমুজ ভিতৰত প্ৰৱেশ কৰাৰ অনুমতি খোজে,হজৰত আলী (ৰাঃ)য়ে কয় ইবনে চাফিয়া হজৰত জুবেৰক শ্বহীদ কৰা জন জাহান্নামত প্ৰৱেশ কৰিব। হজৰত জুবেৰক **চাৱা** গাঁৱত দফন কৰা হয়। এটা ৰিৱায়তত আছে যেতিয়া ইবনে জাৰমুজ আহি হজৰত আলী (ৰাঃ)ৰ পৰা অনুমতি বিচাৰে তেতিয়া হজৰত আলী (ৰাঃ)দূৰত থাকিব বিচাৰিলে, তাৰ পিছত কয় যে, জুবেৰ বিপদাৱলীৰ মাজৰ নাছিল। হজৰত আলী (ৰাঃ)য়ে কয় যে, তোমাৰ মুখত মাটি,মই এয়া আশা কৰো যে, তালহা আৰু জুবেৰ সেই লোকসকলৰ অন্তৰ্ভুক্ত যিসকলৰ অধিকাৰত আল্লাহ তা'লা কয়,

وَنَزَعۡنَا مَا فِیۡ صُدُوۡرِهِمۡ مِّنۡ غِلٍّ اِخۡوَانًا عَلٰی سُرُرٍ مُّتَقٰبِلِیۡنَ (الحجر:48)

আৰু তেওঁলোকৰ হৃদয়সমূহত যি অলপ অচৰপ বিদ্বেষ থাকে তাক আমি উলিয়াই দিম যাৰ ফলত তেওঁলোকে উচ্চ আসনসমূহত উপবিষ্ট হ'ব ভ্ৰাতৃভাৱ লৈ পৰস্পৰ সন্মুখীন হৈ।

খোতবা জুমাৰ শেষত হজুৰ আনোৱাৰ (আইঃ)য়ে মাননীয় আলহাজী ইব্ৰাহিম মুবাই চাহাব নায়েব আমিৰ গেমবিয়া,মাননীয় নায়িম আহমদ খান চাহাব নায়েব আমিৰ কৰাচী আৰু মাননীয় বুশৰা বেগম চাহিবা জাৰ্মানীৰ গুণাৱলী বৰ্ণনা কৰে আৰু নামাজে জুমাৰ পিছত সিহঁতৰ নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

اَلۡحَمۡدُ لِلّٰہِ نَحۡمَدُہٗ وَنَسۡتَعِیۡنُہٗ وَنَسۡتَغۡفِرُہٗ وَنُؤۡمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیۡہِ وَنَعُوۡذُ بِاللّٰہِ مِنۡ شُرُوۡرِ اَنۡفُسِنَا وَمِنۡ سَیِّئَاتِ اَعۡمَالِنَا مَن یَّھۡدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنۡ یُّضۡلِلۡہُ فَلاَ ھَادِیَ لَہٗ وَنَشۡھَدُ اَنۡ لَّاۤ اِلٰہَ اِلاَّ اللّٰہُ وَنَشۡھَدُ اَنَّ مُحَمَّدًا عَبۡدُہٗ وَرَسُوۡلُہٗ، عِبَادَاللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاۡمُرُ بِالۡعَدۡلِ وَالۡاِحۡسَانِ وَاِیۡتَآءِ ذِی الۡقُرۡبٰی وَیَنۡھٰی عَنِ الۡفَحۡشَآءِ وَالۡمُنۡکَرِ وَالۡبَغۡیِ یَعِظُکُمۡ لَعَلَّکُمۡ تَذَکَّرُوۡنَ اُذۡکُرُوا اللّٰہَ یَذۡکُرۡکُمۡ وَادۡعُوۡہُ یَسۡتَجِبۡ لَکُمۡ وَلَذِکۡرُ اللّٰہِ اَکۡبَرُ۔

**KHULASA KHUTBA JUMA HAZOOR ANWAR (aba) 4 SEPTEMBER-2020**

## BOOK POST (PRINTED MATTER)

TO,
..........................................................................................
..........................................................................................
..........................................................................................
..........................................................................................
..........................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844